**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-03-2025 **Time :** 0900 Hrs.

**Assamese Morning Bulletin**

# HEDLINE/03-03-2025

১। ৯ দিনৰ বিৰতিৰ মূৰত আজিৰ পৰা দিছপুৰত অসম বিধানসভাৰ বাজেট অধিৱেশন। বাজেট সন্দৰ্ভত জনসাধাৰণক পৰামৰ্শ আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আহ্বান।

২। অসম বিধানসভাৰ বাজেট অধিৱেশনত অপ্ৰাদেশীকীকৃত শিক্ষানুষ্ঠানৰ প্ৰাদেশীকীকৰণ আইন সংশোধন কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ঘোষণা।

৩। ৰাজ্য চৰকাৰে বিভিন্ন পদৰ বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ কাইলৈৰ পৰা পৰ্যায়ক্ৰমে ঘোষণা।

৪। বিগত পাঁচটা মাহত আঢ়ৈ লক্ষাধিক দেশী-বিদেশী পৰ্যটকৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ। ৬ কোটিতকৈ অধিক টকাৰ ৰাজহ সংগ্ৰহ।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত কালি নিউজিলেণ্ডৰ বিৰুদ্ধে ৪৪ ৰাণত ভাৰতৰ জয়লাভ।

০০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কাৰ্যক্ৰমণিকা ৯ দিনৰ বিৰতিৰ মূৰত আজিৰ পৰা দিছপুৰত পুনৰ অনুষ্ঠিত হ'ব। আজিৰ পৰা শুকুৰবাৰলৈ চলিবলগীয়া সদনৰ বৈঠকৰ সময়ছোৱাত কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ১৩ৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে বিধানসভাৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত পুনৰ সদনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব। ২৫ মাৰ্চত অসম বিধানসভাৰ এইবাৰৰ অধিৱেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বাজেট সন্দৰ্ভত কিবা বিশেষ পৰামৰ্শ থাকিলে, সেই পৰামৰ্শ সমূহ সামাজিক মাধ্যমযোগে তেওঁক অৱগত কৰিবলৈ আহ্বান জনাইছে। বিশেষকৈ বিভিন্ন বিষয়ৰ উদ্ভাৱনীমূলক পৰামৰ্শ আগবঢ়াবলৈ তেওঁ জনসাধাৰণক আহ্বান জনাইছে। বহিঃৰাজ্যত থকা অসমীয়াসকলে তেওঁলোকে বসবাস কৰি থকা ৰাজ্যসমূহত কিবা নতুন কাম হৈছে নেকি সেই বিষয়টো মুখ্যমন্ত্ৰীক জনাব পাৰিব বুলি তেওঁ সামাজিক মাধ্যমযোগে উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যম ফে'চবুকৰ জৰিয়তে বিভিন্ন বিষয়ত মন্তব্য কৰাৰ লগতে জনসাধাৰণৰ প্ৰতি এই আহ্বান জনায়।

আকাশবাণী গুৱাহাটী কেন্দ্রই বিধানসভা অধিৱেশন অনুষ্ঠিত হোৱা দিনত প্রতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে **বিধানসভাত আজিৰ দিনটো** শীৰ্ষক অনুষ্ঠান প্ৰচাৰ কৰিব। তদুপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিব।

০০০০০০

অসম বিধানসভাৰ চলিত বাজেট অধিৱেশনতে অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানৰ প্ৰাদেশিকীকৰণ আইন সংশোধন কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই সংশোধনীৰ জৰিয়তে প্ৰাদেশিকীকৰণ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ চৰ্ত সালসলনি কৰা হ'ব। অৱশ্যে অৱশ্যে প্ৰাদেশিকীকৰণৰ বাবে ধাৰ্য্য ২০০৬ চনৰ ১ জানুৱাৰী ভিত্তিবৰ্ষৰ কোনো কাৰণতে সলনি নহয় বুলি তেওঁ স্পষ্ট কৰি দিয়ে। শিক্ষামন্ত্ৰী ডাং পেগুৱে কালি ১২ টা শিক্ষক সংগঠনৰ উমৈহতীয়া মঞ্চ - সদৌ অসম সন্মিলিত শিক্ষক মঞ্চৰ দ্বিতীয় দ্বিবাৰ্ষিক অধিবেশনৰ প্ৰতিনিধি সভাত দিয়া ভাষণত এই বিষয়ে প্ৰকাশ কৰে। ডাঃ পেগুৱে কয়, যে প্ৰাদেশিকীকৰণ আইনৰ কেতবোৰ সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে কেবিনেট উপ সমিতি গঠন কৰিছে। চৰকাৰে শিথিলতাৰে আইনৰ গণ্ডীৰ ভিতৰত থাকি সমস্যাসমূহ সমাধানৰ বাবে চেষ্টা চলাব বুলিও তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে কয়, যে ২০০৬ চনৰ ১ জানুৱাৰীৰ পূৰ্বে স্বীকৃতি লাভ কৰা শিক্ষানুষ্ঠানসমূহৰ বিষয়টো পুনৰীক্ষণ কৰা হ'ব। প্ৰথমৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিদ্যালয় শিক্ষা বিভাগৰ বাবে নতুন একত্ৰিত সেৱা বিধি প্ৰস্তুত কৰা হ'ব বুলিও তেওঁ ঘোষণা কৰে। এই সন্দৰ্ভত শিক্ষক সংগঠনসমূহৰ সৈতে আলোচনা কৰি থকা হৈছে বুলি জানিবলৈ দি ডাঃ পেগুৱে কয় যে একত্ৰিত সেৱা বিধিত শিক্ষকসকলৰ পদোন্নতিৰ বাবে বিশেষ দফা সংলগ্ন কৰা হ'ব। হাইস্কুলৰ প্ৰধান শিক্ষক নিযুক্তিৰ বাবে অসম মাধ্যমিক শিক্ষা সেৱা বিধিৰ সংশোধন ঘটোৱাৰ কথাও সদৰি কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে নতুন সংশোধনীত সেৱা বিধি অনুসৰি বিজ্ঞানৰ স্নাতক শিক্ষকসকলো প্ৰধান শিক্ষক নিযুক্তি প্ৰক্ৰিয়ালৈ আহিব পাৰিব। নতুনকৈ পদ নিয়মীয়া হোৱা ঠিকাভিত্তিক শিক্ষকসকলে সেই সুবিধা নাপাব বুলিও তেওঁ জানিবলৈ দিয়ে। শিক্ষা বিভাগত নতুনকৈ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিযুক্তি দিয়া নহ'ব বুলিও তেওঁ ঘোষণা কৰে।

ইপিনে, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পাছতে ৰাজ্যৰ হাইস্কুল সমূহত প্ৰধান শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পথ প্ৰশস্ত হৈ পৰিছে। ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাইয়ে সকলো জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকলৈ এই সন্দৰ্ভত পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰৰ জৰিয়তে প্ৰাদেশিকীকৃত হাইস্কুলসমূহত প্ৰধান শিক্ষক পদলৈ পদোন্নতিৰ বাবে জিলা বাছনি সমিতিয়ে প্ৰস্তুত কৰা তালিকা ১০ দিনৰ ভিতৰত বন্ধ খামত দাখিল কৰিবলৈ নিৰ্দেশ জাৰি কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৮ ফেব্ৰুৱাৰীত গুৱাহাটী উচ্চ ন্যায়ালয়ে সংশোধিত অসম মাধ্যমিক শিক্ষা সেৱা বিধিৰ অধীনত ৰাজ্যৰ হাইস্কুলসমূহত প্ৰধান শিক্ষক নিযুক্তি প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিছিল।

০০০০০০

ৰাজ্য চৰকাৰে বিভিন্ন পদৰ বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ কাইলৈৰ পৰা পৰ্যায়ক্ৰমে ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি তেওঁ সামাজিক মাধ্যমযোগে সদৰি কৰা মতে কাইলৈ নিযুক্তি পৰীক্ষাৰ প্ৰথমটো ফলাফল ঘোষণা কৰা হ'ব। কাইলৈ অসম আৰক্ষীৰ গাড়ী চালকৰ পদত নিযুক্তি দিয়াৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। সেইদৰে অহা ৬ মাৰ্চত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক পদৰ আৰু ৭ মাৰ্চত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ

বাবে অনুষ্ঠিত কৰা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। পৰৱৰ্তী পৰ্যায়ত ১২ মাৰ্চত অসম আৰক্ষীৰ কনিষ্ঠবল পদৰ আৰু ২৭ মাৰ্চত অসম আৰক্ষীৰ কমাণ্ডো বেটেলিয়ানৰ কনিষ্ঠবল পদৰ বাবে হোৱা নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত পূৰ্বৰ তুলনাত শেহতীয়াকৈ দেশী-বিদেশী পৰ্যটকৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। চলিত পৰ্যটন বৰ্ষৰ বিগত ৫ টা মাহত আঢ়ৈ লক্ষাধিক পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰিছে। এই সময়ছোৱাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ৬ কোটিতকৈ অধিক ৰাজহ সংগ্ৰহ কৰিছে। বিগত সময়ছোৱাত অতি কম দিনৰ ব্যৱধানত ৰাষ্ট্ৰপতি আৰু প্ৰাক্তন ৰাষ্ট্ৰপতিয়ে বিশ্ব ঐতিহ্য ক্ষেত্ৰখন ভ্ৰমণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও কাজিৰঙাত নিশা কটাই ৰাষ্ট্ৰীয় উদ্যানখনৰ সৌন্দৰ্য উপভোগ কৰিছিল। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰা তথ্য অনুসৰি যোৱা বছৰ অক্টোবৰত পৰ্যটকৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰাৰ পাছত সেই মাহটোতে ৫৯৩ গৰাকী বিদেশী আৰু ২৮ হাজাৰ ৯৮৬ গৰাকী দেশী পৰ্যটকসহ মুঠ ২৯ হাজাৰ ৫৭৯ গৰাকী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰে। নৱেম্বৰত দুহেজাৰ ৮৬৯ গৰাকী বিদেশী আৰু ৪৯ হাজাৰ ১৫২ গৰাকী দেশী পৰ্যটকসহ মুঠ ৫২ হাজাৰ ২১ গৰাকী পৰ্যটকে ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰে। ডিচেম্বৰত দুহেজাৰ ৪৮ গৰাকী বিদেশী পৰ্যটক আৰু ৭৮ হাজাৰ ৫৭ গৰাকী দেশী পৰ্যটকসহ মুঠ ৮০ হাজাৰ ১০৫ গৰাকী পৰ্যটকে বিশ্ব ঐতিহ্য ক্ষেত্ৰখন পৰিদৰ্শন কৰে। জানুৱাৰীত দুহেজাৰ ৬ গৰাকী বিদেশী পৰ্যটক আৰু ৬২ হাজাৰ ৮৩৮ গৰাকী দেশী পৰ্যটকসহ মুঠ ৬৪ হাজাৰ ৮৪৪ গৰাকী পৰ্যটকে কাজিৰঙাৰ সৌন্দৰ্য উপভোগ কৰে। ফেব্ৰুৱাৰীত দুহেজাৰ ১৯৫ গৰাকী বিদেশী পৰ্যটক আৰু ৩১ হাজাৰ ১৪৮ গৰাকী দেশী পৰ্যটকসহ মুঠ ৩৩ হাজাৰ ৩৪৩ গৰাকী পৰ্যটকৰ ৰাষ্ট্ৰীয় উদ্যানখনলৈ আগমন ঘটিছে।

ইপিনে কাজিৰঙাত দুদিনীয়াকৈ অনুষ্ঠিত হাতী স্বাস্থ্য সেৱা শিবিৰৰ কালি সামৰণি পৰে। এই শিবিৰত দেশ-বিদেশৰ ২৮ গৰাকী পশু চিকিৎসকে অংশগ্ৰহণ কৰে।

০০০০০০

গুৱাহাটী মহানগৰীৰ ছয়মাইলত উৰণ সেঁতুৰ নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত কেতবোৰ প্ৰয়োজনীয় কাম-কাজ সুচলভাবে সম্পন্ন কৰাৰ উপৰি অঞ্চলটোৰে আহ-যাহ কৰা জনসাধাৰণৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰ আৰক্ষীৰ উপ-আয়ুক্তই কিছু নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ নিশা চাৰে ১১ বজাৰ পৰা পুৱতি নিশা চাৰে ৪ বজালৈ উৰণ সেঁতুৰ কাম সম্পূৰ্ণ নোহোৱা পৰ্যন্ত যান-বাহনৰ চলাচল কিছু নিয়ন্ত্ৰণ কৰা হ'ব। ছয়মাইলৰ উৰণ সেঁতু আৰু ডাউন টাউন হাস্পতালৰ মাজত এই সময়ছোৱাত যান-বাহনৰ চলাচল বন্ধ থাকিব। খানাপাৰাৰ দিশৰ পৰা পাঞ্জাবাৰী নাইবা জয়ানগৰ অভিমুখী যান-বাহনসমূহ নিয়মিতভাৱে চলাচল কৰি থাকিব পাৰিব। চচল আৰু আনন্দ নগৰৰ দিশৰ পৰা দিছপুৰ অভিমুখী যান-বাহনসমূহ এই সময়ছোৱাত জয়ানগৰ হৈ বেলতলা বজাৰ পথেৰে ছাৰ্ভে হৈ লাষ্টগেটলৈ যাব পাৰিব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে। গণেশগুৰিৰ দিশৰ পৰা খানাপাৰালৈ যোৱা বাহনসমূহ চুপাৰ মাৰ্কেট উৰণ সেঁতুৰে লাষ্টগেট হৈ যাব পাৰিব।

০০০০০০

আজি বিশ্ব বন্যপ্ৰাণী দিৱস। বন্য প্ৰাণী সংৰক্ষণৰ গুৰুত্ব আৰু বিলুপ্ত প্ৰাণীসমূহে বিশ্বজুৰি সন্মুখীন হোৱা প্ৰত্যাহ্বান সন্দৰ্ভত সচেতনতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে তিনি মাৰ্চ তাৰিখে বিশ্ব বন্যপ্ৰাণী দিৱস উদযাপন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই দিৱস উপলক্ষে গুজৰাটৰ জুনাগড় জিলাৰ ছাচনত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব। এই পৰিষদে প্ৰধানমন্ত্ৰীক অধ্যক্ষ হিচাপে লৈ বন্যপ্ৰাণী আৰু বনাঞ্চল সংৰক্ষণ তথা উন্নয়নৰ হকে কাম কৰি আহিছে। এই বৈঠকৰ অন্তত শ্ৰী মোদীয়ে ছাচনত কেইগৰাকীমান মহিলা বনকৰ্মীৰ সৈতে মত বিনিময় কৰিব।

০০০০০০

২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিৰোধী মিত্ৰতা আৰু অসমত উৎপাদিত নেমু বিদেশত চ'ৰা দামত বিক্ৰী সন্দৰ্ভত আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে।

নিৰ্বাচনৰ পূৰ্বে বিধানসভাত উত্থাপন হ'বলগীয়া অন্তিমখন পূৰ্ণাংগ বাজেটৰ জৰিয়তে ৰাজ্য চৰকাৰৰ ১৮ খন ধবজাবাহী আঁচনিক পূৰ্বৰ তুলনাত অধিক ধনৰ আবণ্টন দিয়াৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিত্তমন্ত্ৰী ড° অজন্তা নেওগক পৰামৰ্শ দিয়া বুলি বিত্ত বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। এই বাতৰিটো **দৈনিক অসম** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে। সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, গুৱাহাটীত পৰ্যাপ্ত বিশেষজ্ঞ চিকিৎসক, শৈক্ষিক-অনাশৈক্ষিক মানৱ সম্পদ, উপযুক্ত চিকিৎসা সঁজুলি অবিহনেই বিগত দুবছৰে চিকিৎসা চলি আছে। এই সন্দৰ্ভত **অসমীয়া প্ৰতিদিন** কাকতে 'বৃহৎ অট্টালিকাতে সীমাবদ্ধ এইম্‌ছ গুৱাহাটী' শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে। হোৱাইট হাউছত মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে হোৱা বাক-বিতণ্ডাৰ পাছতো ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেনস্কিয়ে মাৰ্কিন সহায় অপৰিহাৰ্য বুলি মন্তব্য কৰিছে। এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে। 'ট্ৰাম্প নহয়, জেলেনস্কিৰ কাষত ইউৰোপ' শিৰোনামেৰে আন এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে। এই একেখন কাকতে ৰাজ্যৰ শিক্ষা বিভাগ পুঁজিৰ অভাৱত ভূগিছে বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ এটা মন্তব্যৰে বাতৰি প্ৰকাশ কৰিছে। ৪ মাৰ্চৰ পৰা বিভিন্ন পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ লগতে এই পৰীক্ষাত বয়স, শিক্ষাগত অৰ্হতা ফাঁকি দিয়া প্ৰাৰ্থীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰতীয় অৰ্থনীতি অহা বিত্তীয় বৰ্ষত বিশ্বৰ ভিতৰতে দ্ৰুত বিকশিত অৰ্থনীতিত পৰিণত হ'ব বুলি আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিয়ে প্ৰকাশ কৰিছে। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। আন্তৰ্জাতিক মুদ্ৰানিধিৰ প্ৰতিবেদন অনুসৰি এই একেটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। স্বাগত হাস্পতালত মৃত ব্যক্তিৰ দুটা বৃক্ক জি এম চিৰ দুগৰাকী ৰোগীৰ দেহত সংৰোপণ কৰা হৈছে। এই আশাব্যঞ্জক বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফায়াৰ ফ্লাই নামৰ মহাকাশ সংস্থাটোৰ  ব্লু ঘোষ্ট নামৰ মহাকাশ যানখনে কালি চন্দ্ৰপৃষ্ঠৰ মেৰ ক্ৰিছিয়ামৰ সমীপত প্ৰথমবাৰৰ বাবে সফলতাৰে অৱতৰণ কৰে। **দি আছাম ট্ৰিবিউন** কাকতে এই বাতৰিটো 'Private lander lands on moon with special NASA delivery' শিৰোনামেৰে প্ৰকাশ কৰিছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বাবে উত্তৰ-পূবৰ প্ৰকল্পত ব্যয় কৰিবৰ বাবে পুঁজি মোকলাই দিছে। এই বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০০

নগাঁও জিলাৰ বেবেজিয়াৰ জুৰীয়া নামঘৰৰ সমীপৰ মুকলি পথাৰৰ প্ৰাকৃতিক পৰিৱেশত যান্ত্ৰিক শব্দ আৰু পোহৰবিহীনভাৱে দুদিনীয়াকৈ অনুষ্ঠিত ষষ্ঠ বাৰ্ষিক ৰ'দঘাই বেবেজিয়া নাট মহোৎসৱৰ কালি সামৰণি

পৰে। কালি অন্তিম দিনা চাৰিখন নাটক মঞ্চস্থ কৰা হয়। নাট্যশিল্পী শুক্ৰাচাৰ্য ৰাভাই সৃষ্টি কৰা বিৰল নাট্যধাৰাৰ অনুকৰণত আয়োজিত এই নাট্য মহোৎসৱৰ প্ৰথম দিনা ধিঙৰ প্ৰয়াস নাট্য গোষ্ঠীয়ে ধৰ ঝাৰু ধৰ ভাই, যোৰহাটৰ শব্দই যাপন উদযাপন, মঙলদৈৰ জেংৰাই অসম নাট্য দলে ছন পৰা বৃন্দাবন, নগাঁৱৰ চন্দ্ৰ জ্যোতি সংঘই ভণ্টিৰ হাঁহি নাট মঞ্চস্থ কৰে। কালি ৰ'দঘাই বেবেজিয়াৰ জাকে জাকে উৰি যায় চৰাই, পুৰণি গুডামৰ ভাস থিয়েটাৰৰ ভগৱদজ্জুকমকে ধৰি ৪ খন নাটক মঞ্চস্থ কৰা হয়।

০০০০০০০

ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফীত জয়ৰ ধাৰা অব্যাহত ৰাখি ভাৰতে গ্ৰুপ-এত নিউজিলেণ্ডৰ বিৰুদ্ধে ৪৪ ৰাণত জয়লাভ কৰে। ভাৰতে প্ৰথমে বেটিং কৰি নিউজিলেণ্ডক জয়ৰ বাবে ২৫০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। নিউজিলেণ্ডে ৪৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ২০৫ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ বৰুণ চক্ৰৱৰ্তীয়ে ৫টা, কুলদীপ যাদৱে দুটা, হাৰ্দিক পাণ্ডিয়া, অক্ষৰ পেটেল আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট দখল কৰে। বৰুণ চক্ৰৱৰ্তীক **প্লেয়াৰ অৱ দা মেচ** ঘোষণা কৰা হয়।

ভাৰত কাইলৈ ডুবাইত ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে আৰু নিউজিলেণ্ড পৰহিলৈ লাহোৰত দ্বিতীয়খন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

অসম ভ্ৰমণসূচীৰে কালি ডিব্ৰুগড়ত উপস্থিত হোৱা ভাৰতীয় অলিম্পক সন্থাৰ সভাপতি তথা ৰাজ্যসভাৰ সাংসদ প্ৰখ্যাত এথলিট পি টি উষাই আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৫৬ সংখ্যক বিশ্ববিদ্যালয় সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কালি ডিব্ৰুগড় জিলা সন্থাৰ উদ্যোগত আউটড'ৰ ষ্টেডিয়ামত দৌৰবিদগৰাকীক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি দৌৰবিদ গৰাকীয়ে কয়, যে তেওঁৰ দিনত ভাৰতত ক্ৰীড়াৰ বাবে এনেধৰণৰ আন্তঃগাথনি নাছিল। তেতিয়া দৌৰিবৰ বাবে স্পাইক নাছিল। কিন্তু তেওঁ যিকোনো ট্ৰেককে চিন্থেটিক ট্ৰেকৰ দৰে অনুভৱ কৰি ১০০ টা আন্তৰ্জাতিক পদক লাভ কৰিবলৈ সমৰ্থ হোৱা বুলি কয়।

০০০০০০০

নলবাৰী জিলাৰ বাঁহজানীত জন্মগ্ৰহণ কৰা তথা গুৱাহাটীৰ বাসিন্দা অৱসৰী ৰাজ্যিক নিৰ্বাচনী আয়ুক্ত, সমাজসেৱক, লেখক চন্দ্ৰ কুমাৰ শৰ্মাৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। ১৯৬৭ চনত শুৱালকুছি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰা শৰ্মাই ১৯৬৯ চনত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি ৰাজ্যখনৰ বিভিন্ন জিলাত মহকুমাধিপতি, অতিৰিক্ত উপায়ুক্ত আদি বিভিন্ন পদত দক্ষতাৰে সেৱা আগবঢ়াই ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হয়। ১৯৮৬ চনত তেওঁ ভাৰতীয় প্ৰশাসনিক সেৱালৈ মনোনীত হয়। ২০০৬ ৰ পৰা ২০০৯ চনলৈ তেওঁ অসমৰ নিৰ্বাচনী আয়ুক্ত হিচাপে দায়িত্বভাৰ পালন কৰিছিল। অৱসৰৰ পাছত সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতেও জড়িত শৰ্মাই নলবাৰী আৰু বৃহত্তৰ বাঁহজানী অঞ্চলৰ বিভিন্ন অনুষ্ঠানক নেতৃত্ব দিছিল। তেওঁৰ মৃত্যুত বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ্ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৬ ডিগ্ৰী ছেলছিয়াছ্ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা শেহতীয়া ২৪ ঘণ্টাৰ প্ৰদূষণ সূচক অনুসৰি গুৱাহাটীৰ বায়ুৰ মান সূচ্যাংক ১৪৮, শিৱসাগৰৰ ৪৪ আৰু শিলচৰৰ ৬৭ বুলি প্ৰকাশ কৰা হৈছে।

oooooo

**সমাপ্ত**